Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/13**

**2 0 1 3**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A Objective Questions serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো **এটা** বা **দুটা** শব্দৰে) : ১×১০=১০

(ক) ডান্টে কোন দেশৰ কবি আছিল?

(খ) 'অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ' পাঠটি ক'ৰ পৰা লোৱা হৈছে?

(গ) ৰবীন্দ্ৰনাথ ঠাকুৰে কোন গ্ৰন্থৰ বাবে নোবেল বঁটা লাভ কৰিছিল?

(ঘ) 'জীৱন ৰেখা' গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) 'বুভুক্ষা' মানে কি?

(চ) 'অচিনা' পুথিখনত কাৰ কবিতা সন্নিৱিষ্ট কৰা হৈছে?

(ছ) 'নাটঘৰ' কবিতাটো কোন শ্ৰেণীৰ কবিতা?

(জ) নৰকান্ত বৰুৱাক কি কবি হিচাপে জনা যায়?

(ঝ) 'চিৰাজ' গল্পটোৰ লেখক কোন?

(ঞ) 'বহল ব্যাকৰণ' কোনে ৰচনা কৰিছিল, লিখা।

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ বুলি উত্তৰ-বহীত লিখা) : ১×৫=৫

(ক) চণ্ডীদাসৰ প্ৰেমিকাৰ নাম হ'ল ৰামী।

(খ) ৰবীন্দ্ৰনাথ ঠাকুৰে ১৮১৩ চনত নোবেল পুৰস্কাৰ লাভ কৰে।

(গ) 'মহাত্মাৰ বাণী' গ্ৰন্থখন ড০ উপেন্দ্ৰনাথ গোস্বামীয়ে ৰচনা কৰিছিল।

(ঘ) 'কুকুৰ' কবিতাটো 'অচিনা' নামৰ কাব্যপুথিৰ পৰা অনা হৈছে।

(ঙ) ইন্দ্ৰদ্যুম্ন প্ৰাচীন উজ্জয়নীৰ ৰজা আছিল।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) —— সাহিত্যৰ এটা ডাঙৰ লক্ষণ।

(খ) পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি —— চৰিত্ৰ।

(গ) সসীমৰ ৰূপ-তৃষ্ণা —— বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

(ঘ) ৰত্নময় প্ৰাসাদ সজাইলা একশত।
সুৱৰ্ণে ৰচিত স্তম্ভ লগাইল ——॥

(ঙ) এটা ভুল কৰি তাক —— গৈ ভুলৰ ওপৰত ভুল কৰিছো।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) 'ভাগৱত'ৰ মতে নাৰদৰ চৰিত্ৰ কেনেধৰণৰ, চমুকৈ লিখা। ৩

(খ) 'কবিৰ অহৈতুকী প্ৰীতি'ৰ অৰ্থ কি? ৩

(গ) 'ক্ৰান্তিকাৰ' শব্দৰ অৰ্থ কি? প্ৰেমচন্দ কিহৰ বাবে বিখ্যাত? ২+১=৩

(ঘ) 'সাহিত্য' বুলিলে কি বুজা? ৩

(ঙ) ‘‘লাজত কেতিয়াবা জয়ন্তীৰ কেইবামাহলৈ দুয়োসাঁজ লঘোণ দিবৰ মন যায়।’’ ইয়াৰ অন্তৰালৰ কাৰণটো কি, বুজাই লিখা। ৩

(চ) তীৰ্থনাথ শৰ্মাৰ সাহিত্যকৃতিৰ এটি অতি চমু পৰিচয় দিয়া। ৩

(ছ) ‘‘চতুৰংগ সেনা লৈয়ো আসোক সত্ত্বৰ।’’

‘চতুৰংগ সেনা’ কি কি? ৩

(জ) ‘‘খাদ্যৰ নামতো সিহঁতে পায় মহামাৰীৰ বীজ!’’ কথাষাৰে কি বুজাইছে? ৩

(ঝ) নলিনীবালা দেৱীয়ে ৰচনা কৰা তিনিখন কবিতা-পুথিৰ নাম লিখা।

১+১+১=৩

(ঞ) ‘‘জীৱনৰ ভাও লৈ লাগিছে বেজাৰ আজি।’’ কথাষাৰ কোনে, কি কাৰণত কৈছিল? ১+২=৩

(ট) ‘উভতি নহাৰ কবিতা’টোত কবিৰ কি বাণী পোৱা যায়? ৩

(ঠ) ‘‘বোলে যাৰ কাৰণে শাঁক-সিন্দুৰ,
তাকে পাতে ভোকোলা এন্দুৰ।’’

উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসঙ্গত কৈছিল? ১+১+১=৩

(ড) ‘চিৰাজ’ কোন শ্ৰেণীৰ নাটক? নাটকখনৰ দুটা নাৰী-চৰিত্ৰৰ নাম লিখা। ১+১+১=৩

(ঢ) ‘‘ছোৱালীজনী বোলে মধুপুৰলৈ নাযায়।’’ ইয়াত ছোৱালীজনী কোন? কথাষাৰ কোনে, কাক কৈছিল? ১+১+১=৩

(ণ) ‘নৱজীৱন’ পুথিখনিৰ ৰচক কোন? গ্ৰন্থখনিত কেনেধৰণৰ ঘটনাক প্ৰাধান্য দিয়া হৈছে? ১+২=৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ‘‘ডান্টেৰ প্ৰেম প্ৰতিহত সম্ভোগবাসনাৰ মানসিক বিকাশ নহয়, নাইবা ভোগবিলাসত লালিত হোৱা এলেহুৱা ডেকা প্ৰেমিকৰ মানসিক বিকৃতিও নহয়।’’ এই উক্তিটো মুকলিকৈ বুজাই লিখা।

(খ) ‘বৰ্ণবোধ’ নামৰ গল্পটোত প্ৰকাশ পোৱা বৰ্ণবোধৰ তাৎপৰ্য তোমাৰ ভাষাৰে বিচাৰ কৰা।

(গ) ‘‘পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি আমোদী চৰিত্ৰ।’’ ৰচনাখনিৰ আধাৰত এই কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ইন্দ্ৰদ্যুম্ন ৰজাই কি কাৰণে যজ্ঞ কৰিবলৈ ওলাইছিল, বহলাই বৰ্ণনা কৰা।

(খ) ‘কুকুৰ’ কবিতাটোৰ মূলভাৱ লিখা।

(গ) জীৱনটোক কবিয়ে ‘জীৱন-নাটৰ ভাও’ বুলি কিয় কৈছে, বুজাই লিখা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) ‘চিৰাজ’ নাটকৰ মূলভাৱটো লিখা।

(খ) ‘‘মানুহেহে সমাজ গঢ়ে, সমাজে মানুহ নগঢ়ে।’’ কথাষাৰ কোনে, কাক কৈছে? কি প্ৰসঙ্গত কথাষাৰ কোৱা হৈছে, আলোচনা কৰা।

(গ) ‘চিৰাজ’ নাটকত মানৱতাৰ আদৰ্শ কিদৰে প্ৰতিফলিত হৈছে, চমুকৈ আলোচনা কৰা।

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) যাক দেখা নাযায়

(খ) শৰৎকালত হোৱা অনুষ্ঠান

(গ) যি ইন্দ্ৰিয় জয় কৰিব পাৰে

(ঘ) গোটেই জীৱনব্যাপী

(ঙ) কাৰো ফলীয়া নোহোৱা লোক

(চ) একেজন গুৰুৰ শিষ্য

(ছ) যি মাটিৰ সাৰ নাই

(জ) যি পুৰি নাযায়

৯। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৪

(ক) ৰাইজে নখ জোকাৰিলে নৈ বয়।

(খ) অধিক মাছত বগলী কণা হোৱা।

(গ) ইন্দ্ৰৰ সভাত ফেঁচাৰ কুৰুলি।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

হিয়াৰ আম্‌ঠু ; পাবত-গজা ; ডলাৰ বগৰী ; বগলী-ভকত ; আকালৰ ভাত ; গা বাই চা।

**১১।** তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

বুধিয়ক ; বননি ; বিহুৱা ; পষেকীয়া ; দঁতুৱা ; ৰাজহুৱা ; দন্দুৱা ; ভায়েৰা।

**১২।** কৰ্ম কাৰক আৰু সম্প্ৰদান কাৰক কাক বোলে ? উদাহৰণ দি বুজাই লিখা। ২+২=৪

**১৩।** তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

(খ) দূৰদৰ্শন আৰু সমাজত ইয়াৰ প্ৰভাৱ

(গ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(ঘ) মেঘালয়ৰ চাবলগীয়া স্থানসমূহ

★★★